**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-07-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***<u>HEADLINES</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত কালি অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত উপস্থিত হয়।

২। ভাৰত আৰু ৰাছিয়াই ২০৩০ চনলৈকে এহেজাৰ কোটি ডলাৰৰ বাণিজ্যিক লক্ষ্য স্থিৰ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

৩। দেশত ঘৰুৱা প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন বৃদ্ধি আৰু উৎপাদনৰ অনুকূলতন্ত্ৰ গঢ়ি তোলাৰ বাবে অধিক সংস্কাৰ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

৪। ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি চেন্নাইত অনুষ্ঠিত তিনিখনীয়া টি-২০ শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰে।

*আৰু*

৫। ভাৰত আৰু জিম্বাব্বেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি হাৰাৰে স্পোৰ্টছ ক্লাবত অনুষ্ঠিত হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত কালি অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত উপস্থিত হয়। দুদিনয়া ৰাছিয়া ভ্ৰমণ সামৰি দেশখনত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী মোদীক ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে বিপুলভাৱে আদৰণি জনায়। বিগত ৪১ বছৰত এয়া কোনো এগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম অষ্ট্ৰিয়া ভ্ৰমণ। শ্ৰীমোদীয়ে আজি অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰপতি আলেকজেণ্ডাৰ ৰান ডেৰ বেলেনক সাক্ষাৎ কৰিব আৰু চেন্সেলৰ কাৰ্ল নেহমৰৰ সৈতে আলোচনাত মিলিত হ'ব। প্ৰধানমন্ত্ৰী মোদী আৰু চেন্সেলৰ নেহমৰে ভাৰত আৰু অষ্ট্ৰিয়াৰ বিশিষ্ট ব্যৱসায়ীসকলক সম্বোধন কৰিব। শ্ৰীমোদীয়ে ভিয়েনাত ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতেও মত-বিনিময় কৰিব। যোৱা নিশা শ্ৰীমোদীয়ে চেন্সেলৰগৰাকীয়ে আয়োজন কৰা নৈশভোজত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বিপুল আদৰণিৰ বাবে সামাজিক মাধ্যমযোগে চেন্সেলৰগৰাকীক ধন্যবাদ জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে কৈছে যে তেওঁ আজি হ'বলগীয়া আলোচনালৈ আগ্ৰহেৰে বাট চাই আছে। তেওঁ কয় যে দুয়োখন দেশে গোলকীয় ভালৰ বাবে কাম কৰি যাব। অষ্ট্ৰিয়া ভ্ৰমণৰ পূৰ্বে শ্ৰীমোদীয়ে যোৱা দেওবাৰে কয় যে দুয়োখন দেশে গণতন্ত্ৰ, স্বাধীনতা আৰু আইনৰ শাসনৰ উমৈহতীয়া প্ৰমূল্যৰাজিৰ ভিত্তিত ঘনিষ্ঠ সহযোগিতা গঢ়ি তুলিব।

০০০০০০০০০

ভাৰত আৰু ৰাছিয়াই ২০৩০ চনলৈকে এহেজাৰ কোটি ডলাৰৰ বাণিজ্যিক লক্ষ্য স্থিৰ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। দুয়োখন দেশে ভিন ভিন ক্ষেত্ৰত সহযোগিতাৰ বাবে ৯খন চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ ভিতৰত পৰিবেশ আৰু জলবায়ু পৰিৱৰ্তন, মানচিত্ৰ বিজ্ঞান, ধ্ৰুৱীয় গৱেষণা, বিনিয়োগ, বাণিজ্য আৰু ভেষজ অন্যতম। নতুন দিল্লী আৰু মস্কো মহলে লগতে প্ৰসাৰ ভাৰতী আৰু টিভি ন'ৰ'ষ্টিৰ মাজত প্ৰচাৰ ক্ষেত্ৰত সহযোগিতাৰ অৰ্থে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। মস্কোত কালি সাংবাদিকৰ সৈতে হোৱা কথা-

বতৰাত বিদেশ সচিব বিনয় মোহন কোৱাট্ৰাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভ্লাডিমিৰ পুটিনৰ মাজত হোৱা বৈঠকত ঘাইকৈ অৰ্থনৈতিক সহযোগিতাৰ বিষয় লৈ আলোচনা হয়। আলোচনাত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰ, ব্যাপক বাণিজ্য, মূলধনী সম্পৰ্ক, শক্তি, বিজ্ঞান আৰু প্ৰযুক্তি সহযোগিতা, প্ৰতিৰক্ষা আৰু সুৰক্ষা খণ্ডত দুয়ো দেশৰ মাজত সহযোগিতাৰ বিভিন্ন দিশ সামৰি লোৱা হয়।

শ্ৰীকোৱাট্ৰাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভ্ৰান্তিৰে ৰাছিয়াৰ সেনাবাহিনীত অন্তৰ্ভুক্ত ভাৰতীয় নাগৰিকসকলক শীঘ্ৰে মুকলি কৰি দিয়াৰ বিষয়টোও আলোচনাত উত্থাপন কৰে। তেওঁ কয় যে ৰাছিয়াই শীঘ্ৰেই সকলো ভাৰতীয় নাগৰিকক দেশখনৰ সেনাবাহিনীৰ সেৱাৰ পৰা অব্যাহতি দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিদেশ সচিবগৰাকীয়ে কয় যে দুয়োগৰাকী নেতাই চেন্নাই-ভ্লাডিভ'ষ্টক ক'ৰিডৰ নামেৰে জনাজাত প্ৰস্তাৱিত নতুন পূব ক'ৰিডৰ সম্পৰ্কে আলোচনা কৰে। দুয়োগৰাকী নেতাই লগতে উভয় দেশৰ ভিন ভিন ক্ষেত্ৰত বিকাশৰ সৈতে জড়িত অৰ্থনৈতিক ক্ষেত্ৰৰ গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিশেষভাৱে আলোচনা কৰে। ভাৰতত কৃষিজাত সামগ্ৰী উৎপাদনৰ সৈতে জড়িত সাৰৰ যোগানৰ বিষয়টোৱেও আলোচনাত স্থান লাভ কৰে। প্ৰধানমন্ত্ৰী মোদী আৰু শ্ৰীপুটিনে ভাৰত-ইউৰেছীয় অৰ্থনৈতিক সংঘ বাণিজ্য আৰু সামগ্ৰী চুক্তিৰ ক্ষেত্ৰত আগবঢ়াৰ আৱশ্যকতালৈও আলোচনা কৰে।

ooooooooo

দেশত ঘৰুৱা প্ৰতিৰক্ষা সামগ্ৰীৰ উৎপাদন বৃদ্ধি আৰু উৎপাদনৰ অনুকূলতন্ত্ৰ গঢ়ি তোলাৰ বাবে অধিক সংস্কাৰ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। গুণগত সংস্কাৰ সন্দৰ্ভত অনুষ্ঠিত আলোচনাচক্ৰত ভাৰ্চুৱেল মাধ্যমেৰে দিয়া ভাষণত প্ৰতিৰক্ষা সচিব গিৰিধৰ আৰামানে এই কথা উল্লেখ কৰে। তেওঁ প্ৰতিৰক্ষা নিৰ্মাণৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈ উঠাৰ আৱশ্যকতাত আৰু এই লক্ষ্যত উপনীত হোৱাৰ বাবে সকলো অংশীদাৰ বিশেষকৈ স্বদেশী  প্ৰতিৰক্ষা উদ্যোগৰ উল্লেখযোগ্য ভূমিকাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত ভাষণ দি গুণগত নিশ্চয়তাৰ সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল আৰ এছ ৰিনে, ব্যৱসায়িক সুচলতাৰ লগতে আত্মনিৰ্ভৰ ভাৰতক উৎসাহ যোগোৱাৰ বাবে তেওঁৰ সংস্থাই গ্ৰহণ কৰা বিভিন্ন সংস্কাৰৰ বিষয়ে উল্লেখ কৰে। এই আলোচনাচক্ৰত ২৫০টাতকৈও অধিক উদ্যোগৰ প্ৰতিনিধি, এফ আই চি চি আই, এছোচেম আৰু চি চি আই আদিৰ দৰে উদ্যোগ গোটৰ সদস্যৰ লগতে বহুত ব্যক্তিয়ে ভাগ লয়।

ooooooooo

প্ৰফেচাৰ ড০ সৌম্যা স্বামীনাথনক জন কল্যাণৰ ভিত্তিত ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মূল কাৰ্যসূচীৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ প্ৰধান উপদেষ্টা হিচাপে নিযুক্তি দিয়া হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মূল কাৰ্যসূচীৰ প্ৰধান উপদেষ্টা হিচাপে প্ৰফেচাৰ স্বামীনাথনে কাৰ্যসূচীৰ লক্ষ্যত উপনীত হোৱাৰ বাবে সামগ্ৰিক ৰণনীতি সন্দৰ্ভত কাৰিকৰী পৰামৰ্শ আগবঢ়াব। তেওঁ লগতে নীতিগত নিৰ্দেশাৱলী আৰু আৱশ্যকীয় উপায় তথা গৱেষণা নীতি সন্দৰ্ভতো পৰামৰ্শ দিব। তেওঁ সমগ্ৰ বিশ্বৰ আগশাৰীৰ প্ৰতিভাশালী বিশেষজ্ঞ গোট গঠনৰ ক্ষেত্ৰতো সহায় আগবঢ়াব। ড০ স্বামীনাথনে এই কাৰ্যসূচীৰ প্ৰভাৱৰ মূল্যায়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়, ৰাজ্যিক স্বাস্থ্য বিষয়া আৰু উন্নয়ন সহযোগীসকলক  সহায় কৰিব।

ooooooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি-চি-চি-আয়ে প্ৰাক্তন খেলুৱৈ তথা বিশ্বকাপ বিজেতা গৌতম গম্ভীৰক পুৰুষ দলৰ নতুন মুখ্য প্ৰশিক্ষক হিচাপে নিযুক্তি দিছে। বি-চি-চি-আইৰ সম্পাদক জয় শ্বাহে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। শ্ৰীগম্ভীৰে মুখ্য প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাবিড়ৰ ঠাই ল'ব।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই-চি-চিয়ে ভাৰতীয় বেগী বলাৰ যশপ্ৰীত বুমৰাহক চলিত বৰ্ষৰ জুনৰ বাবে আই-চি-চিৰ মাহটোৰ পুৰুষ খেলুৱৈ হিচাপে ঘোষণা কৰিছে। যশপ্ৰীত বুমৰাহে সদ্যসমাপ্ত টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ৮খন খেলত ১৫টা উইকেট দখল কৰিছিল। খেলুৱৈগৰাকী প্লেয়াৰ অব দ্য টুৰ্ণামেণ্ট হিচাপেও ঘোষণা কৰা হৈছিল। আনহাতে, আই-চি-চিয়ে ভাৰতীয় মহিলা দলৰ উপ-অধিনায়ক স্মৃতি মান্ধানাক জুনৰ বাবে আই-চি -চি মাহটোৰ মহিলা খেলুৱৈ হিচাপে ঘোষণা কৰিছে। খেলুৱৈগৰাকীয়ে ইংলেণ্ডৰ মাইয়া বাউচৰ আৰু শ্ৰীলংকাৰ ৰিশ্মি গুনাৰত্নেক চেৰ পেলাই এই কৃতিত্ব অৰ্জন কৰিছে। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে আগবঢ়োৱা আকৰ্ষণীয় প্ৰদৰ্শনৰ বাবে মান্ধানাই এই সন্মান লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত টি-২০ ক্ৰিকেট শংখলাৰ তিনিখনীয়া তৃতীয় তথা অন্তিমখন খেলত দক্ষিণ আফ্ৰিকাক ১০ উইকেটত পৰাস্ত কৰে। ভাৰতে ৮৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১০ অভাৰ আৰু ৫টা বলত এটাও উইকেট নেহেৰুৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। এই জয়েৰে ভাৰতে শৃংখলাত ১-১ ফলাফলত সমতা স্থাপন কৰে। ভাৰতৰ হৈ অপেনাৰ স্মৃতি মান্ধানাই ৪০টা বলত ৫৪ আৰু শ্বেফালি বাৰ্মাই ২৫টা বলত ২৭ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৭ অভাৰ আৰু ১টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮৪ ৰাণ কৰে।

উল্লেখযোগ্য যে শৃংখলাৰ দ্বিতীয়খন খেল বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল। ভাৰতৰ পূজা বস্ত্ৰাকৰক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। খেলুৱৈগৰাকীক লগতে শৃংখলাত আগবঢ়োৱা উল্লেখনীয় প্ৰদৰ্শনৰ স্বীকৃতি স্বৰূপে প্লেয়াৰ অব দ্য চিৰিজ হিচাপেও ঘোষণা কৰা হয়।

০০০০০০০০০

ভাৰত আৰু জিম্বাব্‌ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি হাৰাৰে স্পোৰ্টছ্ ক্লাবত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে ৪ বজাত আৰম্ভ হ'ব। শৃংখলাত দুয়োটা দলে একোখনকৈ খেলত জয়লাভ কৰিছে। শুভমন গীল নেতৃত্বাধীন ভাৰতীয় যুৱ দলটোৱে আজিৰ খেলখনত জয়লাভ কৰি শৃংখলাত অগ্ৰগতি লাভৰ চেষ্টা চলাব।

ইপিনে, ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি-চি-চি-আয়ে জিম্বাব্‌ৱে ক্ৰিকেট আৰু জিম্বাব্‌ৱে পৰ্যটনৰ সহযোগত ভাৰতীয় ক্ৰিকেট দলৰ সদস্য আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে কালি হাৰাৰেত বন্যপ্ৰাণী ভ্ৰমণৰ আয়োজন কৰে। বি-চি-চি-আয়ে সামাজিক মাধ্যমত এই ভ্ৰমণৰ ফটো আপলোড কৰিছে।

০০০০০০০০০

জাৰ্মানীৰ মিউনিখৰ আলিয়াঞ্জ এৰেনাত যোৱা নিশা অনুষ্ঠিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেলত স্পেইনে ফ্ৰান্সক ২-১ গলত পৰাস্ত কৰে। ফ্ৰান্সৰ হৈ কলো মুৱানীয়ে খেলৰ প্ৰথমাৰ্ধত দলটোৰ হৈ একমাত্ৰ গ'লটো দিয়ে। স্পেইনৰ হৈ লেমিন য়ামল আৰু জুলচ কোন্দে দুটা গ'ল দিয়ে।

বি ভি বি ষ্টেডিয়ন ডৰ্টমুণ্ডত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ইংলেণ্ড নেডাৰলেণ্ডছৰ মুখামুখি হ'ব। অহা সোমবাৰে প্ৰতিযোগিতাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০০০

**সমাপ্ত**